# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)
১১, অশোক ৰোড, নতুন দিল্লী-১১০০০১
ফোন : ০১১-২৩০০৫৭০০, ফেক্স : ০১১-২৩০০৫৭৮৭

১৭ জানুৱাৰী ২০১৩

বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ তথা সাংসদ প্ৰকাশ জাভড়েকাৰে জাৰী কৰা প্ৰেছ বিজ্ঞপ্তি

দেশৰ সাধাৰণ নাগৰিক মূল্যবৃদ্ধিৰ হেঁচাত অতিষ্ঠ হৈছে। চৰকাৰে মুদ্ৰাস্ফীতি হ্ৰাস কৰি সাধাৰণ মানুহক সকাহ দিয়া প্ৰয়োজন। সেয়ে নকৰি ৰে'লৰ পৰা আৰম্ভ কৰি ডিজেলৰ মূল্য বৃদ্ধি কৰি চৰকাৰে সাধাৰণ মানুহৰ ওপৰত বোজা জাপি দিলে। তেল মাৰ্কেটিং সংস্থাক নিয়মিত দাম পৰ্যালোচনা কৰাৰ অনুমতি দিয়াৰ ছলেৰে চৰকাৰে যিদৰে ডিজেলৰ দাম বঢ়ালে, বিজেপিয়ে তাৰ তীব্ৰ নিন্দা কৰিছে। চৰকাৰে নিজৰ কৰ্তব্যৰ পৰা গা এৰা দিব বিচাৰিছে। বিজেপিয়ে অভিযোগ তুলিছে যে- চৰকাৰে ইতিমধ্যে কিছুদিনৰ ভিতৰতে ডিজেলৰ দাম ১০ টকা বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে।

ইউ পি এ-ৰ ইস্তাহাৰ আৰু ৰাষ্ট্ৰপতিৰ ভাষণত উল্লেখ থাকিলেও চৰকাৰে এতিয়াও হাইড্ৰকাৰ্বন নীতি ঘোষণা কৰা নাই। তেওঁলোকৰ নীতি আৰু সিদ্ধান্তৰ কোনো ধাৰাবাহিকতা নাই। তেওঁলোকে চাৰিবাৰ পেট্ৰলিয়াম মন্ত্ৰীক সলনি কৰিছে আৰু ১৫ বাৰ দাম সংক্ৰান্ত নীতি সলনি কৰিছে। এই মনোভাৱৰ ফলত দেশৰ অৰ্থনীতিৰ অপূৰণীয় ক্ষতি হৈছে।

ডিজেলৰ দাম বৃদ্ধি কৰাৰ প্ৰতিক্ৰিয়া সকলোৰে ওপৰত পৰিব তথা সকলো বস্তুৰ দাম বৃদ্ধি পাব। জনসাধাৰণৰ সকলো যাতায়তৰ খৰছ বাঢ়িব। জলসিঞ্চন, ট্ৰেক্টৰ আৰু অন্যান্য কৃষি খৰছ বৃদ্ধি পাব।

পেট্ৰলজাত সামগ্ৰীৰ ক্ষেত্ৰত ভাৰতত অতি উচ্চ হাৰত কৰ ধাৰ্য আছে। চলিত বিত্তীয় বৰ্ষত উক্ত ক্ষেত্ৰৰ পৰা কেন্দ্ৰীয় চৰকাৰে ২ লাখ কোটি টকা পাব। দাম নবঢ়ালে ক্ষতি হোৱাৰ তথ্য যথেষ্ট সন্দেহজনক। ইয়াৰ কেইবাটাও ধাৰণা কৰিব পাৰি। চৰকাৰে আশা কৰিছে জনসাধাৰণে তেলৰ আন্তৰ্ঝাতিক দাম দিব আৰু তাৰ উপৰিও ইমান কৰ দিব। তেল মাৰ্কেটিং সংস্থাৰ অকৰ্মণ্যতাৰ বাবে এই মূল্য দিয়াতো অগ্ৰহণযোগ্য।

ৰন্ধন গেছৰ ক্ষেত্ৰত ৰাজসাহায্য দিয়া চিলিণ্ডাৰৰ সংখ্যা ৬টাৰ পৰা ৯ টা কৰাতো প্ৰহসনৰ বাহিৰে আন একো নহয়। বিগত ৬০ বছৰ ধৰি জনসাধাৰণে ইচ্ছা অনুযায়ী চিলিণ্ডাৰ ব্যৱহাৰ কৰিলে আৰু এতিয়া চৰকাৰে প্ৰথমে তাৰ সংখ্যা ৬ টা নিৰ্দিষ্ট কৰিলে। তাৰপিচত ৯ টা কৰিলে। ইয়াৰ কোনো অৰ্থ নাথাকে। চৰকাৰে সিদ্ধান্ত প্ৰত্যাহাৰ কৰক আৰু পূৰ্বৰ দৰে পৰিয়ালৰ বাবে যিমান চিলিণ্ডাৰ প্ৰয়োজন সিমান চিলিণ্ডাৰ দিয়ক।

(অ পি কহলি)

মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত